**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-09-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**-------------------**

EEN GARG/RNU (23-09-2025) EVEN

লাখ লাখ সংগীতপ্ৰেমীক শোকসাগৰত ডুবাই আকস্মিকভাৱে পৃথিৱীৰ মায়া এৰি যোৱা জনপ্ৰিয় তথা যশস্বী শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য আজি গুৱাহাটীৰ সমীপৰ কমাৰকুছিৰ 'জুবিনক্ষেত্ৰ'ত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়। অগণিত অনুৰাগীয়ে অশ্ৰু অঞ্জলিৰে প্ৰাণৰ শিল্পীজনক শেষ শ্ৰদ্ধা জনোৱাৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও সমাধিস্থলীত প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধা নিবেদন কৰে। অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, এবছু, আটাছুকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়েও শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ হৈ ৰাজ্যখনৰ আৱাসিক আয়ুক্তই জনতাৰ শিল্পীজনক শেষ শ্ৰদ্ধা জনায়।

মৰমৰ পুত্ৰক সমাধিস্থলীত শেষবাৰৰ বাবে হেঁপাহ পলুৱাই চাই আৱেগবিহ্বল হৈ পৰে শিল্পীগৰাকীৰ পিতৃ। গানেৰে জগত জিনা স্বামীক একাঁজলি অশ্ৰুৰে অজান দেশলৈ বিদায় দিলে পত্নী গৰিমা গাৰ্গে। জ্যেষ্ঠ ভাতৃক এথোপা ফুলেৰে ভগ্নী পামী বৰঠাকুৰেও বিদায় জনায়। তাৰ পাছত যথাৰীতি ধৰ্মীয় পৰম্পৰাৰে চিতাত তোলা হয় জুবিন গাৰ্গৰ দেহ। ভগ্নী পামী বৰঠাকুৰে চিতাত মুখাগ্নি কৰে। তেওঁক সহযোগ কৰে ৰাহুল গৌতম শৰ্মা আৰু অৰুণ গাৰ্গে। চিতাত পাৰ্থিৱ শৰীৰত অগ্নি সংযোগ কৰাৰ সময়তে বাজি উঠে শিল্পীগৰাকীৰ **মায়াবিনী** শীৰ্ষক অন্যতম জনপ্ৰিয় গীতটি।

**গান ঃ মায়াবিনী**

২১ জাঁই তোপধ্বনিৰে আৰক্ষীয়েও শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। উপস্থিত অগণন লোকৰ জয়ধ্বনিৰ মাজেৰে অৱশেষত পঞ্চভূতত বিলিন হ'ল গানেৰে জনতাৰ হৃদয়ত ঘৰ বন্ধা শিল্পী জুবিন গাৰ্গ। ইয়াৰ লগে লগে যেন অসমবাসীৰ হৃদয়ৰ আকাশ উকা কৰি গানৰ জ্যোতিষ্ক নিৰ্বাপিত হ'ল। সুৰৰ আঁচল ধৰি বহু দূৰলৈ গুচি গ'ল বিৰল প্ৰতিভা।

যোৱা দুদিন ধৰি গুৱাহাটীৰ সৰুসজাই অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত প্ৰাণৰ শিল্পীজনক অনুৰাগীয়ে অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা নিবেদন কৰাৰ পাছত আজি পুৱা ক্ৰীড়া প্ৰকল্পৰ পৰা জুবিনৰ নশ্বৰ দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয়। মৰণোত্তৰ পৰীক্ষা কৰাৰ পাছত নশ্বৰ দেহ পুনৰ সৰুসজাইলৈ অনা হয় আৰু তাৰ পৰা যোৱাবাটৰ সমীপৰ কমাৰকুছিলৈ শোভাযাত্ৰা কৰি নিয়া হয়।

শেষকৃত্যত অনুৰাগীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি আজি ৰাষ্ট্ৰীয় ঘাইপথ দুপৰীয়া ২ বজালৈ বন্ধ ৰখা হয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰই জুবিন গাৰ্গৰ অন্তিম যাত্ৰা তথা শেষকৃত্যৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰে।

জুবিন গাৰ্গৰ পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ ঘোষণা অনুসৰি শিল্পীগৰাকীৰ সন্মানাৰ্থে আজি অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকে। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহো বন্ধ থাকে যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হয়। আজি শিল্পীগৰাকীৰ সন্মানাৰ্থে গুৱাহাটী উচ্চ ন্যায়ালয়ো বন্ধ ৰখা হয়।

০০০০০০

পুত্ৰৰ শেষকৃত্য অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সময়তে আজি হঠাৎ জনতাৰ শিল্পী জুবিন গাৰ্গৰ পিতৃ অসুস্থ হৈ পৰে। পুত্ৰৰ বিয়োগত যথেষ্ট আৱেগিক হৈ অসুস্থ হৈ পৰা কপিল ঠাকুৰক ততাতৈয়াকৈ চিকিৎসাৰ বাবে সোণাপুৰৰ কমাৰকুছিৰ পৰা গুৱাহাটীলৈ লৈ অনা হয়।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ আজি শেষকৃত্যৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ প্ৰতিখন জিলাৰ জনজীৱন স্থবিৰ হৈ পৰে। সকলো জিলাতে শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখাৰ লগতে দোকান-পোহাৰসমূহো বন্ধ হৈ থাকে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই আজি বাক্সা জিলাৰ বাহবাৰীত মানস ৰাষ্ট্ৰীয় উদ্যান জীপ চাফাৰী এছোছিয়েছনৰ উদ্যোগত আৰু জুবিন গাৰ্গৰ অনুৰাগীসকলৰ সহযোগত এটা কাৰ ৰেলী উলিওৱা হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ দ্বিতীয় প্ৰবেশদ্বাৰত আৰম্ভ হোৱা এই ৰেলী পুনৰ উদ্যানখনৰ বাহবাৰী সংমগুলত সামৰণি পৰে। ৰাজ্যৰ অন্যান্য জিলাতো আজি শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনাৰে সৰ্বধৰ্ম প্ৰাৰ্থনাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০

উৎসৱৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৪৬ খন বিশেষ ৰে'লগাড়ীৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে। দুৰ্গা পূজা, দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত যাতে যাত্ৰীসকল অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰপ্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উৎসৱ বিশেষ ৰে'লগাড়ীসমূহ কাটিহাৰ, সোণপুৰ, দৌৰাম মাধেপুৰা, মণিহাৰী, আগৰতলা, ধৰ্মনগৰ, নিউ তিনিচুকীয়া, এছ্ এম ভি টি বেংগালুৰু, অমৃতসৰ, নিউ জলপাইগুৰি, গুমটিনগৰ, কিষাণগঞ্জ, নাহৰকটীয়া গঞ্জ, পাটনা, ডিব্ৰুগড়, গোড়খপুৰ, শিলচৰ, নাহৰলগুণ, কলকাতা আৰু গুৱাহাটীৰ দৰে গুৰুত্বপূৰ্ণ স্থানসমূহৰ মাজত চলাচল কৰিব।

০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ